জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮০/২০২১

ডিফু চিকিৎসা মহাবিদ্যালয়ৰ এম বি বি এছ পাঠ্যক্ৰমৰ প্ৰথম শৈক্ষিক বৰ্ষৰ শুভ আৰম্ভণি কৰিলে মুখ্যমন্ত্ৰীয়ে

কাৰ্বি আংলং জিলাৰ বহু আঁচনিৰ আধাৰশিলা স্থাপন আৰু শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

বৰ্তমানৰ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বাবে পাহাৰীয়া জিলা কেইখনে আজি প্ৰাণ পাই উঠিছে ঃ মুখ্যমন্ত্ৰী

দিছপুৰ, ০২ ফেব্ৰুৱাৰী ঃ 'কাৰ্বি পাহাৰৰ চিকিৎসা খণ্ডত পৰিৱৰ্তন সাধনেৰে স্থাপন কৰা ডিফু চিকিৎসা মহাবিদ্যালয়ে পাহাৰীয়া জিলাকেইখনৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন মাত্ৰা প্ৰদান কৰিব। বহু সংগ্ৰাম আৰু প্ৰত্যাহ্বান অতিক্ৰমি এই চিকিৎসা মহাবিদ্যালয়খন গঢ় লৈ উঠিছে। প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিয়াৰ বাবে আজি এই চিকিৎসা মহাবিদ্যালয়খনৰ জৰিয়তে ইয়াৰ জনসাধাৰণ বাৰুকৈয়ে উপকৃত হ'ব পাৰিব। এই মহাবিদ্যালয়ত নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে কঠোৰ পৰিশ্ৰম আৰু প্ৰত্যাহ্বান অতিক্ৰম কৰিব পৰা মানসিকতাৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত একো একোগৰাকী প্ৰতিষ্ঠিত চিকিৎসক হোৱাৰ বাবে সংকল্প গ্ৰহণ কৰিব লাগিব।' আজি ডিফু চিকিৎসা মহাবিদ্যালয়ৰ এমবিবিএছ পাঠ্যক্ৰমৰ প্ৰথম শৈক্ষিক বৰ্ষৰ শুভাৰম্ভণ উপলক্ষে ডিফু চিকিৎসা মহাবিদ্যালয়ত আয়োজিত এক সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে কাৰ্বি আংলং জিলাৰ কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী সোণোৱালে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কাৰ্বি পাহাৰৰ সংস্কৃতি অতি মনোৰম আৰু বাৰেৰহণীয়া। অকল সংস্কৃতিৰ ক্ষেত্ৰতে নহয়, ভাষা-সাহিত্যৰ ক্ষেত্ৰতো এই অঞ্চল অতি চহকী। এই জিলাখনত প্ৰচুৰ পৰিমাণে আদা, মাটিকঠাল, জালুক, চাহ ইত্যাদি কৃষিজাত সামগ্ৰী উৎপাদন হয়। সাৰুৱা মাটিৰে পৰিপূৰ্ণ এই জিলাখনত যথেষ্ট সম্পদ আৰু সম্ভাৱনা আছে। ভাৰতবৰ্ষৰ এক বৃহৎ জিলা হিচাপে একবিংশ শতিকাত উজলি উঠা এই জিলাখনে উন্নয়নৰ চমকপ্ৰদ যাত্ৰা আৰম্ভ কৰিছে। ২০১৬ চনত বিজেপি নেতৃত্বাধীন মিত্ৰ জোঁটৰ চৰকাৰখন শাসন ক্ষমতালৈ অহাৰ পিছত প্ৰতিখন জিলাৰে সম-উন্নয়নত গুৰুত্ব দি দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই পদক্ষেপসমূহৰ বাবে কাৰ্বি আংলঙৰ বিকাশে নতুন গতি লাভ কৰিবলৈ সক্ষম হৈছে। পূৰ্বতে পাহাৰীয়া জিলাকেইখনৰ প্ৰতি কোনো গুৰুত্ব দিয়া হোৱা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উন্নয়নৰ ক্ষেত্ৰত পিছপৰি থাকিবলগীয়া হোৱা বাবে এই অঞ্চলৰ জনসাধাৰণৰ মনত ক্ষোভ আৰু

বেদনা আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতি সাৰোগত কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰে দ্ৰুত গতিৰে জিলাখনক আগুৱাই নিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ ফলত জনসাধাৰণৰ মনত আজি আত্মবিশ্বাসৰ ভাৱ প্ৰগাঢ় হৈছে।

কাৰ্বি আংলং জিলালৈ শান্তি ঘূৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই শান্তি প্ৰতিষ্ঠা হোৱাৰ ফলত প্ৰগতি সম্ভৱ হৈ উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত শান্তি প্ৰতিষ্ঠাৰ বাবে লোৱা পদক্ষেপসমূহৰ বাবে আজি সমগ্ৰ অঞ্চলটোত শান্তিৰ এক বাতাৱৰণৰ সূচনা হৈছে। ডিফুত এখন আইন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সকলো দিশতে এক শৈক্ষিক পৰিৱেশ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰমৰ জৰিয়তে নিজৰ শ্ৰেষ্ঠত্ব উজাৰি দিবলৈ আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি স্বাস্থ্য বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনি আৰু স্বাস্থ্য শিক্ষা প্ৰতিষ্ঠান স্থাপনৰ জৰিয়তে স্বাস্থসেৱাক মানুহৰ দুৱাৰদলিলৈ নিবলৈ সক্ষম হৈছে। নতুন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন নকৰিলে মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলে চিকিৎসা বিদ্যা লাভ কৰাৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হ'লহেতেন। বহু প্ৰত্যাহ্বানৰ মাজেৰে বৰ্তমানৰ ৰাজ্য চৰকাৰে ডিফু চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য আৰু শৈক্ষিক বৰ্ষ আৰম্ভ কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰে স্বাস্থ্য খণ্ডৰ বিকাশ সাধনৰ বাবে লোৱা বিভিন্ন পদক্ষেপৰ কথা আলোকপাত কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলং জিলাৰ উন্নয়নৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও কয়। তেওঁ লগতে কয় যে জিলাখনত এখন ৰাজ্যিক বিশ্ববিদ্যালয় স্থাপন কৰাৰ দিশতো ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে।

স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ সিনহাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত পাৰ্বত্য এলেকা উন্নয়ন মন্ত্ৰী ছুম ৰংহাং, সাংসদ হৰেণ সিং বে আৰু কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙেও ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়কসকল ক্ৰমে জয়ৰাম ইংলেং, ডাঃ মানসিং ৰংপি, ডাঃ নোমল মমিন, ডিফু চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ সুমিত্ৰা হাগজেৰ প্ৰমুখ্যে স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াবৰ্গ আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

পুঃডেঃ
০২/০২/২০২১